**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ।

২। ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১১খন জিলাৰ ২১টা ৰাজহ চক্ৰৰ ৪৮৭খন গাঁৱৰ বিভিন্ন অঞ্চল এতিয়াও বানৰ কবলত।

৩। চলচিত্ৰ নিৰ্মাতা অসমৰ ৰীমা দাস অস্কাৰ বঁটাৰ বাছনি সমিতিৰ সদস্য হিচাপে মনোনীত।

৪। গুৱাহাটীৰ বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰৰ ৰাজ্যত আগন্তুক তিনিটা দিনত ধুমুহা, বৃষ্টিপাতৰ আগজাননি।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ আফগানিস্তানৰ বিৰুদ্ধে ৯ উইকেটত জয়লাভ।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাষ্ট্ৰপতিৰ ভাষণৰ পাছত লোকসভা আৰু ৰাজ্যসভাত ধন্যবাদসূচক প্ৰস্তাৱ দাখিল কৰা হ'ব আৰু এই প্ৰস্তাৱক লৈ আলোচনা হ'ব। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন যোৱা সোমবাৰে আৰম্ভ হৈছে আৰু ৰাজ্যসভাৰ অধিবেশন আজি আৰম্ভ হ'ব।

0000000

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্ৰেছ দলে সদনত ভোটগ্ৰহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেৰাহে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূৰ্বে কালি পুৱা সদন মিলিত হোৱা সময়তে প্ৰধানমন্ত্ৰী মোদী আৰু এন ডি এৰ আন ১২ গৰাকী নেতাই লোকসভাৰ অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলাৰ নাম প্ৰস্তাৱ কৰে। আনহাতে বিৰোধী পক্ষৰ হৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা অৰবিন্দ সাৱন্ত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু সমাজবাদী পাৰ্টিৰ সাংসদ আনন্দ ভাদৌৰীয়াই কংগ্ৰেছ সাংসদ কে সুৰেশৰ নাম প্ৰস্তাৱ কৰে।

অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলা নিৰ্বাচিত হোৱাৰ লগে লগে ইতিহাসৰ সৃষ্টি হ'ল বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। এগৰাকী সাংসদ হিচাপে শ্ৰীবিৰলাৰ ভূমিকা সংসদৰ নতুন সদস্যসকলৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীৰ নেতৃত্বত পূৰ্বৰ লোকসভাত কেইবাখনো ব্যতিক্ৰমী বিধেয়ক গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, সাংসদসকলৰ আচাৰ-ব্যৱহাৰ আৰু দায়বদ্ধতাই সংসদীয় গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও লোকসভাৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হোৱা বাবে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও নৱনিৰ্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায়

সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে। তেওঁ লগতে কয় যে, বিশ্বাস আৰু আস্থাৰ লগতে বিৰোধী পক্ষৰ ব্যক্ত্যব উত্থাপনৰ বাবে লাভ কৰা অনুমতিৰ জৰিয়তে সকলো পক্ষৰ সহযোগিতা সম্ভৱ হৈ উঠে। একেদৰে সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱেও বিৰোধী পক্ষই তেওঁলোকৰ ব্যক্তব্য উত্থাপনৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

0000000

ৰাজ্য চৰকাৰে ২লাখতকৈ কম বাৰ্ষিক উপাৰ্জন কৰা অভিভাৱকসকলৰ সন্তানক মহাবিদ্যালয় নামভৰ্তিৰ মাচুল বহন কৰাৰ সিদ্ধান্ত লৈছে। এই ব্যৱস্থা ৰূপায়নৰ বাবে আনুমানিক ১৫০ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে জুলাই সংশ্লিষ্ট মহাবিদ্যালয়সমূহলৈ ধন ৰাশি প্ৰেৰণ কৰা হ'ব। এই ক্ষেত্ৰত যদি কোনো শিক্ষাৰ্থীয়ে সমস্যা সন্মুখীন হয় তেন্তে জিলা আয়ুক্ত অথবা শিক্ষা বিভাগৰ সৈতে বিনাদ্বিধাই যোগাযোগ কৰিব পাৰিব বুলি কোৱা হৈছে।

0000000

অসম চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতি অক্ষুণ্ণ ৰাখি ২হেজাৰ ১০০ কোটিতকৈও অধিক টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ বিৰোধী দিৱসৰ পৰিপ্ৰেক্ষিতত এই কথা উল্লেখ কৰি কয় যে ৰাজ্যখন মাদক দ্ৰব্য মুক্ত কৰাৰ দিশত চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। ভৱিষ্যতৰ অসমখনক যাতে নতুন প্ৰজন্মই মাদক দ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত হৈ সুস্থ জীৱন লাভ কৰিব পাৰে তাৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰচেষ্টাৰ দ্বাৰা অসমক মাদক দ্ৰব্য মুক্ত কৰাই নহয় সমগ্ৰ দেশক মাদক দ্ৰব্যৰ পৰা মুক্ত কৰিবলৈ বৃহৎ প্ৰচেষ্টাত অৰিহণা যোগোৱা হ'ব।

0000000

ৰাজ্যখনৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১১খন জিলাৰ ২১টা ৰাজহ চক্ৰৰ ৪৮৭খন গাঁৰৰ বিভিন্ন অঞ্চল এতিয়াও বানৰ কবলত আছে। এই বানত ১লাখ ৩৭ হাজাৰতকৈও অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা ১০৯ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইপিনে, বৰাক উপত্যকাত কুশিয়াৰা নৈ'ৰ পানী বিপদ সীমাৰ ওপৰত আছে। বানৰ বাবে এতিয়াও কৰিমগঞ্জ জিলাৰ বহুলোক গৃহবন্দী হৈ থাকিবলগীয়া হৈছে। জিলাখনৰ ৫টা ৰাজহ চক্ৰৰ মুঠ ২৬২খন গাঁও বানত বুৰ গৈছে। বানত জিলাখনৰ ১৩শ হেক্টৰো অধিক কৃষিভূমিৰ লগতে প্ৰায় এক লাখ ৪০ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মুঠ ১০৫টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। কৰিমগঞ্জ সদৰ চক্ৰত সৰ্বাধিক ৫৩টা আশ্ৰয় শিবিৰ, নীলামবজাৰ চক্ৰত ২০টা আশ্ৰয় শিবিৰ আছে। আশ্ৰয় শিবিৰত থকা লোককে ধৰি জিলাখনৰ ক্ষতিগ্ৰস্ত লোকসকলক ১১টা ভ্ৰাম্যমান চিকিৎসা দলে স্বাস্থ্য সেৱা প্ৰদান কৰিছে। বানৰ বাবে গৃহবন্দী হোৱা লোকসকলক চৰকাৰকে ধৰি বিভিন্ন সংগঠনে সাহায্য সামগ্ৰী বিতৰণ কৰিছে। ইয়াৰোপৰি পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক নোহোৱালৈকে জিলাখনৰ ৩৬৩ বিদ্যালয় ২৯ জুনলৈকে বন্ধ থাকিব বুলি জিলা আয়ুক্তই নিৰ্দেশনা জাৰি কৰাৰ লগতে বাকী চৰকাৰী আৰু ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানত নিয়মীয়া পাঠদান চলি থাকিব বুলি জানিবলৈ দিছে।

0000000

চলচিত্ৰ নিৰ্মাতা অসমৰ ৰীমা দাস অস্কাৰ বঁটাৰ বাছনি সমিতিৰ সদস্য হিচাপে মনোনীত হৈছে। এই বাছনি সমিতিলৈ বিশ্বৰ ৬৮খন দেশৰ চলচিত্ৰৰ সৈতে জড়িত ৪৮৭গৰাকী ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছে। ৰীমা দাসৰ লগতে ভাৰতৰ শ্বাৱানা আজমি, পৰিচালক এছ এছ ৰাজামৌলী , আনন্দ কুমাৰ টাস্কাৰ, ৰিতেশ সিধৱানিকে ধৰি কেইবাগৰাকী চলচিত্ৰ শিল্পীয়ে এই বাছনি সমিতিলৈ আমন্ত্ৰণ লাভ কৰিছে।

0000000

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ পহিলা জুলাইৰ পৰা প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই বিধেয়ককেইখন গৃহীত হৈছে। নতুন আইন তিনিখন ভাৰতীয় নাগৰিকৰ সৰলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই এই আইনকেইখনৰ মূল উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো আৰক্ষী থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। ইয়াৰ উপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ   নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত লগতে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্তত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এনে ধৰণৰ গোচৰ এজাহাৰ ৰুজু হোৱাৰ দুমাহৰ ভিতৰত সমাধান কৰিব লাগিব।

0000000

ৰাজ্যৰ গৃহ বিভাগে উপ আৰক্ষী অধীক্ষক উপেন কলিতাক এ পি এছ চি কেলেংকাৰীৰ গোচৰত নতুন তদন্তকাৰী বিষয়া হিচাপে নিযুক্তি প্ৰদান কৰিছে। এই গোচৰত ৩৯ জন ৰাজপত্ৰিত বিষয়াৰ বিৰুদ্ধে উপ আৰক্ষী অধীক্ষক কলিতাই তদন্ত প্ৰক্ৰিয়া আগবঢ়াই নিব। পূৰ্বৰ তদন্তকাৰী বিষয়া প্ৰতীক থুবেক উচ্চ ন্যায়ালয়ে অপসাৰণ কৰিবলৈ নিৰ্দেশ দিয়াৰ পাছতেই গৃহ বিভাগে উপেন কলিতাক নতুন দায়িত্ব অৰ্পন কৰে।

0000000

দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত ৰাজ্যিক পৰ্যায়ৰ ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাসমূহ তিনিটা ভাগত বিভক্ত কৰা হৈছে। ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ভাগ কৰা ক-শাখাৰ প্ৰতিযোগীসকলে ৮০০টা শব্দৰ ভিতৰত তৰুণৰাম ফুকন-জীৱন আৰু কৃতিত্ব বিষয়ৰ ওপৰত ৰচনা লিখাৰ পৰিৱৰ্তে নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰতিযোগীসকলে এহেজাৰটা শব্দৰ ভিতৰত ভাৰতৰ স্বাধীনতা সংগ্ৰামত তৰুণৰাম ফুকনৰ ভূমিকা শীৰ্ষক ৰচনা লিখিব লাগিব। ইয়াৰ উপৰি গ-শাখাৰ স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে এহেজাৰ ২০০টা শব্দৰ ভিতৰত অসমীয়া সাহিত্যলৈ তৰুণৰাম ফুকনৰ অৱদান শিৰোনামেৰে ৰচনা লিখিব লাগিব। প্ৰতিযোগীসকলে এই ৰচনাসমূহ অসমীয়া, ইংৰাজী, হিন্দী, বাংলা আৰু বড়ো ভাষাৰ মাধ্যমত লিখিব পাৰিব। আনহাতে বিভিন্ন শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে লিখা শ্ৰেষ্ঠ ৰচনাসমূহ প্ৰতিখন বিদ্যালয়-মহাবিদ্যালয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত অহা ৩০ জুনৰ ভিতৰত জমা দিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগতভাৱে জমা দিয়া ৰচনাসমূহ জিলা আয়ুক্তৰ কাৰ্যালয়ত গ্ৰহণ কৰা নহ'ব। প্ৰতিযোগিতাৰ বিজয়ীসকলক অহা ২৮ জুলাইত গুৱাহাটীত কেন্দ্ৰীয়ভাৱে আয়োজন কৰা দেশভক্তি দিৱসত সম্বৰ্ধনা জনোৱাৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

0000000

বিজেপিৰ প্ৰবীণ নেতা লালকৃষ্ণ আদৱানীক দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, এইমছত ভৰ্তি কৰোৱা হৈছে। বাৰ্ধক্যজনিত  সমস্যাৰ বাবে নেতা গৰাকীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ৯৬ বছৰীয়া শ্ৰী আদৱানীক বাৰ্ধক্যজনিত ৰোগৰ বিশেষ চিকিৎসাৰ বাবে নিৰীক্ষণত ৰখা হৈছে। এইমছৰ বিষয়াই প্ৰকাশ কৰা মতে প্ৰবীণ নেতাগৰাকীৰ অৱস্থা বৰ্তমান সুস্থিৰ হৈ আছে আৰু তেওঁক চিকিৎসকৰ তদাৰকত ৰখা হৈছে।

0000000

ভাৰতীয় সেনাৰ শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে মধ্য অসমৰ চাৰিখন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৱৰ বাবে অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ শোণিতপুৰৰ ষ্টেডিয়ামত অগ্নিবীৰ প্ৰাৰ্থীৰ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। মিছামাৰীৰ সেনা ছাউনীৰ যশৱন্ত ষ্টেডিয়ামত এই সমাবেশ অনুষ্ঠিত হ'ব। চলিত বৰ্ষৰ যোৱা এপ্ৰিল মাহৰ পৰা মে' মাহলৈ সাধাৰণ প্ৰৱেশ পৰীক্ষাত নিৰ্বাচিত হোৱা পৰীক্ষাৰ্থীয়ে এই সমাবেশত অংশ ল'ব পাৰিব।

প্ৰাৰ্থীসকলে ফলাফল তথা অন্যান্য গুৰুত্বপূৰ্ণ তথ্যৰ বাবে ভাৰতীয় সেনাৰ অফিচিয়েল ৱেবছাইট WWW.JOININDIANARMY.NIC.INত লগইন কৰিব পাৰিব।

0000000

আপোনাৰ হয়তো প্ৰিয়তম বন্ধু এটা ৰেডিঅ'। অথবা আপোনাৰ ঘৰত স্মৃতিৰ জেউতি চৰাই আছে এটি পুৰণি ৰেডিঅ', যাৰ সৈতে এৰি অহা সময়ৰ নজহা নপমা বহু কথা বিজড়িত হৈ আছে। আপোনাৰ এই আপুৰুগীয়া সম্পদটো আনৰ আগতো প্ৰদৰ্শন কৰাৰ বাবে আকাশবাণী গুৱাহাটীয়ে সুযোগ দিব বিচাৰিছে। অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে।

0000000

গুৱাহাটীৰ বৰঝাৰস্থিত বতৰ বিজ্ঞান কেন্দ্ৰই আগন্তুক তিনিটা দিনত ৰাজ্যত ধুমুহা, বৃষ্টিপাতৰ আগজাননি প্ৰকাশ কৰিছে।

0000000

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে আফগানিস্তানে বেট ধৰি ১১ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইফালে আজি নিশা গায়ানাত হ'বলগীয়া আন এখন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

0000000

অষ্টাদশ লোকসভাৰ অধ্যক্ষ হিচাপে সাংসদ ওম বিৰলা নিৰ্বাচিত হোৱা বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওম বিৰলাক অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰাৰ প্ৰস্তাৱ ধ্বনি ভোটত গৃহীত হয়। জৰুৰীকালীন অৱস্থাক লৈ বিতৰ্কিত পৰিস্থিতিৰ পিছত সদন স্থগিত হোৱা বিষয়টো বাতৰিটোত প্ৰকাশ পাইছে।

প্ৰচণ্ড গৰমে জনজীৱন বিপৰ্যস্ত কৰাৰ সময়তে ৰাজ্যবাসী অভাৱনীয় বিদ্যুতৰ সংকটৰ ভোগা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **গ্ৰামাঞ্চলত ৮-১০ ঘণ্টা পৰ্যন্ত ল'ড শ্বেডিং** - শিৰোনামেৰে প্ৰকাশ কৰা বাতৰিটোত ৮৬ৰ পৰা ৮৭ শতাংশ বিদ্যুৎ বহিঃৰাজ্যৰ পৰা ক্ৰয় কৰাৰ তথ্যও প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে ফাঁচী বজাৰৰ ৰিভাৰ টাৰ্মিনেলত ৱেল্ডিং মেচিন বিস্ফোৰণত এজন শ্ৰমিক নিহত হোৱাৰ লগতে ৫জন শ্ৰমিক আহত হোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে সুৰা নীতি কেলেংকাৰি গোচৰত জেলৰ পৰা অৰবিন্দ কেজৰিৱালক চিবিআইয়ে গ্ৰেপ্তাৰ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখ্য একেটা গোচৰতে ই ডিৰ দ্বাৰা গ্ৰেপ্তাৰ হয় তিহাৰ জেলত বন্দী হৈ আছে দিল্লীৰ মুখ্যমন্ত্ৰীজন।

একেটা বাতৰিকে অসমীয়া খবৰ কাকতেও **কেজৰিৱালক গ্ৰেপ্তাৰ কৰি ৩ দিনৰ জিম্মাত চিবিআইৰ-** শিৰোনামেৰে প্ৰকাশ কৰিছে।

বটদ্ৰৱা বুলড'জাৰ কাণ্ডত ৩ আৰক্ষী বিষয়াক গৃহ বিভাগে দোষী সাব্যস্ত কৰা বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি অভিযুক্ত অন্যান্য বিষয়াৰ বিৰুদ্ধে আদালতে শপতনামাৰ নিৰ্দেশ দিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতখনে **৩ আৰক্ষী বিষয়াক জগৰীয়া কৰিলে ৰাজ্য চৰকাৰে-** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যশস্বী চলচিত্ৰ নিৰ্মাতা ৰীমা দাস বিশ্ব চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ সন্মান অস্কাৰ বঁটাৰ কমিটীলৈ আমন্ত্ৰিত হোৱাৰ বাতৰিটো দা আছাম ট্ৰিবিউন কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত প্ৰকাশ কৰা অনুসৰি অভিনেত্ৰী ছাবানা আজমী, পৰিচালক এছ্ এছ্ ৰাজামৌলীসহ ভাৰতৰ ১১ জন বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ অস্কাৰ কমিটীৰ। এই বাতৰিটোকে দা ছেন্টিনেল কাকতখনে RIMA DAS INVITED TO JOIN THE ACADEMY FOR THE OSCARS 2024- শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৰাজ্যত ধুমুহা-বৰষুণৰ আগজাননী বতৰ বিজ্ঞান কেন্দ্ৰৰ, বঙাইগাঁৱত পঞ্চায়ত সচিবক গুলীয়াই হত্যা, অম্বুবাচী মেলাৰ অন্ত। ভক্তৰ বাবে পুনৰ দুৱাৰ মুকলি কামাখ্যা ধামৰ, ৰঙা সংৰক্ষিত বনাঞ্চলত পুনৰ আগ্ৰাসন অৰুণাচলীৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**